# শিক্ষাৰ উদ্দেশ্য হৈছে আইনাক খিৰিকীলৈ পৰিৱৰ্তন কৰা ঃ ড° নাথ

## গোৱালপাৰা মহাবিদ্যালয়ত দীক্ষাৰম্ভ-২০২৩ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৪ আগষ্ট ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ সভাকক্ষত কালি দীক্ষাৰম্ভ ২০২৩ অনুষ্ঠান অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনত আমেৰিকাৰ চাম হাউষ্টন বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ ড° হীৰেণ্য কুমাৰ নাথে মুখ্য অতিথি হিচাপে উপস্থিত থাকি 'একবিংশ শতিকাত মানৱ সম্পদ' শীৰ্ষক বিষয়ৰ ওপৰত ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে নতুন শিক্ষা বৰ্ষ আৰম্ভ হোৱাৰ লগে লগে বহু ছাত্ৰ- ছাত্ৰীয়ে এই ঐতিহ্যমণ্ডিত গোৱালপাৰা মহাবিদ্যালয়ত ভৰ্তি হৈছে। বিভিন্ন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত কোনোবাই কলা শাখাত, কোনোবাই বিজ্ঞান শাখাত আৰু আন কোনোবাই বাণিজ্য শাখাত ভৰ্তি হৈছে। নতুনকৈ ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত খাপ খোৱাকৈ তথা মহাবিদ্যালয়ৰ পৰিৱেশৰ লগত মিলিবলৈ কিছু সময়ৰ প্ৰয়োজন হয়। এই দীক্ষাৰম্ভ অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ- ছাত্ৰীসকলৰ মনত অহা অসুবিধাসমূহ দূৰীকৰণৰ চেষ্টা কৰা হয়। তেওঁ সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি কয় যে একবিংশ শতিকাত মানৱ সম্পদ গঢ়িবলৈ অলপ পৃথক ধৰণে চিন্তা-চৰ্চা কৰিব লাগিব। একবিংশ শতিকাত মানৱ সম্পদ গঢ়িবলৈ বিদেশত যোৱাৰ প্ৰয়োজন নহয়। সকলোবোৰ ম'বাইলৰ জৰিয়তে সম্ভৱ হৈ পৰিছে। কিয়নো এতিয়া বিদেশৰ বহু মহাবিদ্যালয়, বিশ্ববিদ্যালয়ে অনলাইন ক'ৰ্চ আৰম্ভ কৰিছে আৰু সেইবোৰ ডিগ্ৰী বা ডিপ্ল'মা বহুত গুৰুত্বপূৰ্ণ। সেয়ে ম'বাইলৰ অপব্যৱহাৰ নকৰি সকলোকে কামত খটুৱাবলৈ চেষ্টা কৰাৰ আহ্বান জনায়। লগতে ছাত্ৰ-ছাত্ৰীসকলক সোণৰ লগত তুলনা কৰি কয় যে যেনেকৈ খনিৰ পৰা সোণ আহৰণ কৰি সেইবোৰৰ পৰা একো একোটা অলংকাৰ তৈয়াৰ কৰাৰ পাছত মূল্যবান হৈ পৰে, ঠিক তেনেকৈ ছাত্ৰ-ছাত্ৰীসকলেও মহাবিদ্যালয়ৰ পৰা সঠিক পথেৰে আগবাঢ়ি গৈ মূল্যবান হ'ব পাৰিব। তেওঁ এক উদাহৰণ দি কয় যে শিক্ষা গ্ৰহণৰ উদ্দেশ্য হৈছে আইনাক খিৰিকীলৈ পৰিৱৰ্তন কৰা। আইনাত যেনেকৈ কেৱল নিজৰ মুখখন দেখা যায় আৰু খিৰিকীৰে গোটেই বিশ্ব দেখা যায়। ঠিক সেইদৰে ছাত্ৰ অৱস্থাত আইনাৰ নিচিনা কেৱল নিজকে দেখা যাব ১৩ পৃষ্ঠাত চাওক

## শিক্ষাৰ উদ্দেশ্য হৈছে আইনাক খিৰিকীলৈ

আৰু ভৱিষ্যতে সুনাম অৰ্জন কৰিলে গোটেই বিশ্বই তোমাক চিনিব। গতিকে গোটেই বিশ্বই তোমাক চিনিবলৈ হ'লে তুমি নিজকে পৰিৱৰ্তন কৰিব লাগিব। এইখন মহাবিদ্যালয়ৰ পৰা পঢ়ি যোৱা আদিল হুছেইন এতিয়া বলিউডৰ তাৰকা হৈছে। এতিয়া গোটেই বিশ্বই তেওঁক চিনি পোৱা হৈছে বুলি উল্লেখ কৰে। তাৰ উপৰি তেওঁ কয় যে একবিংশ শতিকা হ'ল প্ৰতিযোগিতাৰ যুগ। সকলোৱে প্ৰতিযোগিতাৰে আগবাঢ়ি যাব লাগিব বুলি উল্লেখ কৰে। সভাখনত উপস্থিত থাকি জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশি ভাষণ প্ৰদান কৰে। অধ্যাপক,অধ্যাপিকা তথা কে'বা শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাৰ অন্তত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে অসমৰ সুসন্তান তথা আমেৰিকাৰ চাম হাউষ্টন বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ ড° হীৰেণ্য কুমাৰ নাথে গোৱালপাৰা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক উদ্দেশি মূল্যবান ভাষণ প্ৰদান কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।